2026

ASSAMESE (Major)

Paper: ASS4200104MJ

[অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস

(১৮২৬ চনৰ পৰা ১৯৪৭ চনলৈ)]

Full Marks : 60

Time : 2 $^{1}/_{2}$ hours

The figures in the margin indicate full marks for the questions.

১। চমুকৈ উত্তৰ দিয়াঃ ১x৮=৮

(ক) "অচমীয়া-ইংৰাজী অভিধান" কোনে ৰচনা কৰিছিল ?

(খ) অৰুণোদয় কাকতৰ ন.ল.ফ-বুলিলে কাক জনা যায় ?

(গ) ইয়াণ্ডাবু সন্ধি কেতিয়া হৈছিল ?

(ঘ) কমলাকান্ত ভট্টাচার্যক কি কবি হিচাপে জনা যায় ?

(ঙ) "অন্তিম জ্যোতি" কবিতাটোৰ কবিগৰাকীৰ নাম লিখা ।

(চ) জ্যোতি প্রসাদ আগৰৱালাই ৰচনা কৰা প্রথম নাটকখনৰ নাম লিখা ।

(ছ) "মিৰি-জীয়ৰী". কোন শ্রেনীৰ উপন্যাস ?

(জ) জোনাকী আলোচনী কিমান চনত প্রকাশ পাইছিল ?

Anandaram Dhekial Phookan College Library
Acc. No.
Date
Nagaon :: Assam

২। চমুকৈ উত্তৰ দিয়াঃ (যিকোনো ছয়টা) ২x৬=১২

(ক) যতীন্দ্রনাথ দুৱৰাই কোনখন কাব্যপুথিৰ বাবে আৰু কেতিয়া সাহিত্য অকাদেমী বঁটা লাভ কৰিছিল ?

(খ) ত্রৈলোক্যনাথ গোস্বামীৰ দুখন গল্প পুথিৰ নাম লিখা ।

(গ) আনন্দৰাম ঢেকিয়াল ফুকনৰ দুখন গ্রন্থৰ নাম লিখা ।

(ঘ) জোনাকী আলোচনীৰ প্রথম গৰাকী সম্পাদক কোন আৰু তেওঁ ৰচনা কৰা প্রথম অসমীয়া ৰোমান্টিক কবিতাটোৰ নাম কি ?

(ঙ) নিমাতী কইনাৰ পিতৃৰ নাম কি আৰু তেওঁ ক'ৰ ৰজা আছিল ?

(চ) জংকী কোন ? তাইক দেউতাকে কাৰ সৈতে বিয়া দিবলৈ জোৰ কৰিছিল ?

(ছ) অসমীয়া সাহিত্যত 'বেকন' বুলি কাক জনা যায় আৰু তেওঁ ৰচনা কৰা গীতৰ পুথিখনৰ নাম কি ?

(জ) ৰঘুনাথ চৌধাৰীৰ দুখন কাব্য পুথিৰ নাম লিখা ।

(ঝ) ৰোমান্টিক কবিতাৰ দুটা বৈশিষ্ট্য লিখা ।

(ঞ) হেমকোষৰ সংকলক কোন আৰু কিমান চনত এইখন প্ৰকাশ পাইছিল ?

৩। চমুটোকা লিখাঃ (যিকোনো চাৰিটা) ৫x৪=২০

(ক) পোহৰ কথাকবিতাৰ মূলভাৱ ।

(খ) 'অৰুণোদই' কাকতৰ অৱদান ।

(গ) 'ৱৰৱৰুৱাৰ বিমান বিহাৰ'-ৰ আধাৰত লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্যৰীতি ।

(ঘ) 'মিৰি-জীয়ৰী' উপন্যাসৰ নাৰী চৰিত্ৰ ।

(ঙ) চৈয়দ আব্দুল মালিকৰ গল্পৰ বৈশিষ্ট্য ।

(চ) 'নিমাতী কইনা' নাটকৰ কাহিনী ।

(ছ) বাণীকান্ত কাকতি ।

(জ) প্ৰাক্-অৰুণোদই স্তৰৰ সাহিত্য ।

৪। তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঃ ১০x২=২০

(ক) 'অসমত স্ত্ৰী শিক্ষা'-পাঠটিৰ মাজেৰে প্ৰতিফলিত লেখকৰ দৃষ্টিভংগী সন্দৰ্ভত এক আলোচনা যুগুত কৰা ।

(খ) মিৰি-জীয়ৰী উপন্যাসত চিত্ৰিত মিছিং সমাজব্যৱস্থা সম্পৰ্কে আলোচনা কৰা।

(গ) অসমীয়া ভাষা-সাহিত্যলৈ খ্ৰীষ্টান মিছনেৰীসকলৰ অৱদান সম্পৰ্কে আলোচনা কৰা ।

(ঘ) ইংলণ্ডৰ বিৱৰণ পাঠটিৰ আধাৰত অসমৰ দূৰৱস্থাৰ কাৰণসমূহ বহলাই আলোচনা কৰা।

(ঙ) ৰোমান্টিক কবিতা হিচাপে প্ৰকৃতি কবিতাটোৰ পৰ্যালোচনা কৰা ।

Anandaram Dhekial Phookan College Library
Acc. No.
Date
Nagaon, Assam